জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ৬৬৩/২০২০

আৰক্ষীৰ উপ-পৰিদৰ্শকৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল কৰা ঘটনাৰ তদন্ত সম্পৰ্কত মুখ্যমন্ত্ৰী

# আমি সকলোৱে মিলি দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দিব লাগিব ঃ মুখ্যমন্ত্ৰী

## দুৰ্নীতিৰ বিৰুদ্ধে আৰক্ষীয়ে ২০১৬ চনৰ পিছৰে পৰা বহু সফলতা অৰ্জন কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে অসম আৰক্ষীৰ উপ-পৰিদৰ্শকৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ লগত জড়িত কোনো ব্যক্তিয়েই সাৰি যাব নোৱাৰে। আৰক্ষীয়ে যি তদন্ত চলাই আছে তাত কোনেও সন্দেহ কৰিব নালাগে। নিৰপেক্ষভাৱে আৰক্ষীক তদন্ত কৰিবলৈ দিয়া উচিত। মুখ্যমন্ত্ৰীয়ে কয় যে আমি সকলোৱে মিলি একেলগে দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দিব লাগিব। তেওঁ লগতে কয় যে ২০১৬ চনৰ পৰাই আৰক্ষীয়ে দুৰ্নীতিৰ বিৰুদ্ধে নিৰন্তৰ পদক্ষেপ গ্ৰহণ কৰি আহিছে। এপিএছচিকেধৰি বিভিন্ন দুৰ্নতিৰ ক্ষেত্ৰত আৰক্ষীয়ে সফলতা অৰ্জন কৰিছে। মুখ্যমন্ত্ৰীয়ে দুৰ্নীতি বিৰোধী এই অভিযানত বিৰোধী পক্ষকে ধৰি সকলোকে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে আৰক্ষীক সঠিক দিশত তদন্ত কৰিবলৈ দিয়া উচিত। সমালোচনাৰ পৰিৱৰ্তে সহযোগিতা আগবঢ়াব লাগিব। সন্দেহ কৰিলেই সত্য আৱিষ্কাৰ নহয় বুলি উল্লেখ কৰি আৰক্ষীক নিষ্ঠাৰে কাম কৰিবলৈ দিলেহে সফলতা অৰ্জন কৰিব পৰা যাব। আৰক্ষীয়ে সমগ্ৰ ঘটনাতো তদন্তৰ বাবে দিনে-নিশাই কাম কৰি আছে। প্ৰশ্ন কাকত ফাদিলৰ লগত জড়িত কোনো ব্যক্তিয়ে সাৰি যাব নোৱাৰে। আৰক্ষীয়ে এই তদন্ত ক্ষীপ্ৰগতিত অব্যাহত ৰাখিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

পুঃডেঃ / বঃভাঃ
১/১০/২০২০